**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-04-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। পথ আৰু দলঙৰ আন্তঃগাঁথনিয়ে বৰ্তমানৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ লগতে ভৱিষ্যতৰ বিকাশত অৰিহণা যোগায় বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত। জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ আজি বৰাকত নিৰ্বাচনী প্ৰচাৰ।

৩। সন্ত্ৰাসবাদ বিৰোধী যুঁজখনক এটা নিৰ্ণায়ক পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ প্ৰতি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সম্পূৰ্ণ আস্থা প্ৰকাশ।

৪। ৰোমৰ ছেইণ্ট মেৰী মেজৰ বেছিলিকাত আজি বিশ্বৰ ৰোমান কেথলিক চাৰ্চৰ মুৰব্বী পোপ ফ্ৰান্সিছৰ শেষকৃত্য।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ছানৰাইজাৰ্ছ হায়দৰাবাদৰ চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত।

০০০০০০০

পথ আৰু দলঙৰ আন্তঃগাঁথনিয়ে বৰ্তমানৰ প্ৰয়োজনীয়তা পূৰণ কৰাই নহয়, বৰং ভৱিষ্যত প্ৰজন্মৰ বাবেও বিকাশত অৰিহণা যোগায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় পথ কংগ্ৰেছে গুৱাহাটীত আয়োজন কৰা এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত অংশগ্ৰহণ কৰি এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে পথ আৰু দলঙৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত দেশক উন্নয়নৰ দিশত আগুৱাই নিয়াৰ বাবে ভাৰতীয় পথ কংগ্ৰেছে দশক ধৰি দৃষ্টান্তমূলক কাৰ্যৰ নিদৰ্শন দেখুৱাই আহিছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতৰ পথ উন্নয়নৰ অগ্ৰণী কাৰিকৰী সংস্থা হিচাপে ভাৰতীয় পথ কংগ্ৰেছে পৰিবহণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ২০১৪ চনৰ পৰা পথ আৰু দলং আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত অসম উল্লেখনীয়ভাৱে পৰিৱৰ্তনৰ সাক্ষী হৈ আহিছে বুলি মন্তব্য কৰি ড° শৰ্মাই উন্নত যোগাযোগৰ জৰিয়তে ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই সময়ছোৱাত ৰাজ্যিক পথসমূহত ৩ হাজাৰ ১১২ খন স্থায়ী দলং নিৰ্মাণ কৰাৰ উপৰি ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত বৃহৎ দলঙৰ সংখ্যা ৩ৰ পৰা ৭ লৈ বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে দীৰ্ঘম্যাদী পৰিকল্পনা, সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু গুণগত মান তথা স্বচ্ছতাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে এনে সাফল্য সম্ভৱ হৈছে। বিশ্বমানৰ পৰিবহণ নেটৱৰ্ক গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস চলাই আহিছে বুলি মন্তব্য কৰি ড° শৰ্মাই কয়, যে ইয়াৰ জৰিয়তে অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পৰাকৈ সুচল পৰিবহণ ব্যৱস্থা গঢ়ি তুলিব বিচৰা হৈছে। ইয়াৰ বাবে ২০ বছৰীয়া পৰিকল্পনাৰে ৰাজ্যখনৰ প্ৰতিটো প্ৰান্তকে সামৰি বিস্তৃত পথ যোগাযোগ আঁচনি প্ৰস্তুত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ড° শৰ্মাই

আন্তঃগাঁথনি উন্নয়নৰ লগে লগে গুণগত নিশ্চয়তা, বহনক্ষমতা আৰু বিকাশৰ দিশত থকা প্ৰত্যাহ্বানসমূহ দূৰ কৰিব লাগিব বুলিও উল্লেখ কৰে।

০০০০০০০

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বৰাকত নিৰ্বাচনী প্ৰচাৰ চলাব। ডঃ শৰ্মাই দুপৰীয়াৰ ভাগত কাছাৰ জিলাত উধাৰবন্দৰ হাতীচৰা চাহ বাগিচাত এখন জনসভাত অংশ ল'ব। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি ডিব্ৰুগড়ত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বিজেপিৰ তাৰকা প্ৰচাৰক তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত কালি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰী সোণোৱালে গ্ৰাম্য অৰ্থনীতিৰ ভেটি সৱলীকৰণৰ লক্ষ্যৰে পঞ্চায়ত নিৰ্বাচনত সঠিক সিদ্ধান্ত ল'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জিলা বিজেপিৰ কাৰ্যালয়ত দলীয় কৰ্মীৰ সৈতে এখন বিশেষ সাংগঠনিক সভাত মিলিত হয়।

শ্ৰী সোণোৱালে কালি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰত আন এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি মিত্ৰজোঁটৰ দ্বৈত ইঞ্জিন চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহে সকলো স্তৰৰ জনসাধাৰণৰ উপকৃত কৰি গ্ৰামাঞ্চলত নতুন দিগন্তৰ সূচনা কৰিছে। আৰু আত্মনিৰ্ভৰশীলতাৰ পথ প্ৰশস্ত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ ডিব্ৰুগড়ৰ গজপুৰিয়াতো নিৰ্বাচনী সভাত ভাগ লয়।

ইপিনে, পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। মাজুলীত প্ৰথম পৰ্যায়ত হ'বলগীয়া নিৰ্বাচন সন্দৰ্ভত এয়া আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়া –

বাইট

হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে নিয়মীয়াকৈ ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰি নিৰ্বাচনৰ বাবে যাৱতীয় ব্যৱস্থা নিশ্চিত কৰিছে। জিলাখনত স্থাপন কৰা ৭৭৪টা ভোট কেন্দ্ৰৰ ভিতৰত ১০টা মডেল ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব বুলি জিলাখনৰ জনসংযোগ বিষয়াই প্ৰকাশ কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সন্ত্ৰাসবাদ বিৰোধী যুঁজখনক এটা নিৰ্ণায়ক পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেতৃত্বৰ প্ৰতি সম্পূৰ্ণ আস্থা প্ৰকাশ কৰিছে। শ্ৰী মোদীৰ নেতৃত্বত শূন্য সহনশীল নীতিৰ জৰিয়তে শত্ৰু ৰাষ্ট্ৰসমূহক যোগ্য প্ৰত্যুত্তৰ দিব পৰা যাব বুলি ড০ শৰ্মাই মন্তব্য কৰিছে। কালি গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাত্ৰিংশ দীক্ষান্ত সমাৰোহত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক গৰিহণা দি এই আক্ৰমণত নিহতসকলৰ বিদেহ আত্মৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁলোকৰ পৰিয়াললৈ গভীৰ সমাৱেদনা জ্ঞাপন কৰে।

অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনে বহু বছৰৰ পিছত ধৰ্না বন্ধ আন্দোলন, বন্দুক-গুলীৰ পৰিৱৰ্তে এটা নতুন যুগৰ দিশে আগবাঢ়িছে বুলি উল্লেখ কৰি কয়, যে দেশে বৰ্তমান বিজ্ঞান, সংস্কৃতি, শিক্ষা, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত বিশ্বৰ ভিতৰতে বিশেষ স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। তিনি হাজাৰ ৫৯৩ গৰাকী শিক্ষাৰ্থীক স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী আৰু ১৪৮ গৰাকীক পি এইচ ডি ডিগ্ৰী প্ৰদান কৰি ড০ শৰ্মাই অহা ১০ বছৰত নতুন অসমৰ নেতৃত্ব ল'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত কৰি তুলিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতি আহ্বান জনায়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

কালিৰ এই সমাৰোহত বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই গুৱাহাটীৰ ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক তথা কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ অমল চন্দ্ৰ কটকীক সন্মানীয় ডও অৱ চায়েন্স ডিগ্ৰী প্ৰদান কৰে। আন এগৰাকী কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ তপন কুমাৰ শইকীয়া আৰু অৰুণাচল প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী চাওনা মেইনক জনজীৱনৰ প্ৰতি আগবঢ়োৱা সেৱাৰ স্বীকৃতিস্বৰূপে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়।

০০০০০০০

বিশ্বৰ ৰোমান কেথলিক চাৰ্চ মুৰব্বী পোপ ফ্ৰান্সিছৰ শেষকৃত্য আজি ৰোমৰ ছেইণ্ট মেৰী মেজৰ বেছিলিকাত সম্পন্ন কৰা হ'ব। ভেটিকান চিটীৰ ছেইণ্ট পিটাৰ্ছ স্কুৱেৰত ভাৰতীয় সময় অনুসৰি আজি দিনৰ ডেৰ বজাত শেষকৃত্য কাৰ্যসূচী আৰম্ভ হ'ব। এই শেষকৃত্য কাৰ্যসূচীত বিশ্বৰ ভালেকেইগৰাকী ৰাষ্ট্ৰপ্ৰধান আৰু প্ৰতিনিধিৰ লগতে সাধাৰণ জনতাই অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিব। শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলগীয়া বিশ্বৰ নেতাসকলৰ ভিতৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা দ্যা ছিলভা আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেই অন্যতম।

যোৱা ২১ এপ্ৰিলত দেহাৱসান ঘটা পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে কালি ভেটিকান চিটীত উপস্থিত হয়। শ্ৰীমতী মুৰ্মুক এই যাত্ৰাত সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজু, সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ জোশুৱা ডি ছুজাইও সংগ দিছে।

পোপ ফ্ৰান্সিছৰ প্ৰতি সন্মান জনাই ভাৰতে তিনি দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। সেই অনুসৰি যোৱা ২২ আৰু ২৩ এপ্ৰিলত দুদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰা হয় আৰু আজিও ৰাষ্ট্ৰীয় শোক পালন কৰা হৈছে।

০০০০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই আজি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

সকলোৰে বাবে জীৱনটো গোলাপৰ পাহিৰে সজোৱা বিচনাৰ দৰে নহয়। জীৱনত আছে বহু প্ৰত্যাহ্বান। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান জন্মগত আৰু আন কিছুমান আছে পৰৱৰ্তী কালত। এই প্ৰত্যাহ্বান নেওচিও কিদৰে সফলতাৰে জীৱন যাত্ৰাত আগুৱাব পাৰি, তাৰ কাহিনী লৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৭ এপ্ৰিল, দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দুৰাৰোগ্য বুলি ভবা ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰি আৰু শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি

জীৱন যুদ্ধত জয়ী হোৱা কেইবাগৰাকীও লোকক পৰিচয় কৰাই দিয়া হ'ব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ৰাজ্যৰ বিশিষ্ট সাহিত্যসেৱী, সমাজ-সংস্কৃতিৰ কাণ্ডাৰী তথা বিশিষ্ট ক্ৰীড়া সংগঠক বজালী জিলাৰ পাটাছাৰকুচিৰ বেজকুচি নিবাসী শ্ৰীপদ চৌধুৰীৰ কালি সন্ধিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। বাণী প্ৰকাশ গোষ্ঠীৰ অন্যতম পুথি প্ৰকাশক তথা বিক্ৰেতা, বিশিষ্ট নিবন্ধকাৰ শ্ৰীপদ চৌধুৰীয়ে অসমত গ্ৰাম্য ক্ৰীড়াক আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে তেওঁক ৰাজ্য চৰকাৰৰ বিশিষ্ট ক্ৰীড়া সংগঠকৰ বঁটা প্ৰদান কৰা হৈছিল। অসম সাহিত্য সভা, অসম ৰে'ল যাত্ৰী সুৰক্ষা সমিতি, পাঠশালা নাট মণ্ডল আদিকে ধৰি বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত ব্যক্তিগৰাকীৰ মৃত্যুত পাটাছাৰকুছি প্ৰেছক্লাব, শাখা সাহিত্য সভাৰ উপৰি বিভিন্নজনে শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা শোকবাৰ্তাত প্ৰয়াত চৌধুৰীয়ে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানক উত্তৰ পুৰুষে সদায় স্মৰণ কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হোৱা এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে। ১৫৫ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮ অভাৰ আৰু ৪ টা বলতেই ৫ টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। হায়দৰাবাদৰ হৈ ঈষাণ কিষানে ৩৪ টা বলত ৪৪ ৰান কৰে। চেন্নাইৰ হৈ নুৰ আহমেদে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ এটা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৫৪ ৰান কৰে। চেন্নাইৰ হৈ দেৱাল্ড ব্ৰেভিছে ২৫ টা বলত ৪২ ৰানৰ উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ হৰ্ষল পেটেলে ৪ টা উইকেট দখল কৰে। হৰ্ষলক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে সাত বজাত ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

## NEWS PAPER REV./RNU (26-04-2025)

কৃষ্ণজ্যোতি শইকীয়া নামৰ যোৰহাটৰ এজন যুৱকক কালি নিশা হানি-খুচি হত্যা কৰাৰ প্ৰতিবাদত পৰিৱেশ উত্তপ্ত হোৱা আৰু হত্যাৰ প্ৰতিবাদত কৰা পথ অৱৰোধৰ ঘটনাক অসমীয়া প্ৰতিদিন কাকতে

**কৃষ্ণজ্যোতি শইকীয়াৰ হত্যাক লৈ উত্তপ্ত যোৰহাট ঃ হত্যাকাৰীক শাস্তিৰ দাবীত পথ অৱৰোধ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ বাতৰিক কেইবাখনো কাকতে শীৰ্ষ বাতৰিৰ স্থান দিছে। কেন্দ্ৰীয় চৰকাৰে পাকিস্তানৰ ওপৰত বহু কেইটা বিষয়ত বাধা আৰোপ কৰাৰ পাছত আৰু কি ধৰণৰ সামৰিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব এই বিষয়ে **পাকিস্তানক হাতে মাৰিব নে ভাতে মাৰিব? দেশজুৰি এটাই প্ৰশ্ন, নিয়ন্ত্ৰণৰেখাত ছাঁয়া যুদ্ধ**-এই শিৰোনামেৰে আমাৰ অসম বাতৰি কাকতে শীৰ্ষ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আনহাতে অসম ভূমিৰ পৰা পাকিস্তানৰ সমৰ্থনত মন্তব্য প্ৰদান কৰাৰ বাবে ছাত্ৰ-সাংবাদিক আৰু ছাত্ৰ মুক্তিৰ নেতাক গ্ৰেপ্তাৰ কৰাৰ বাতৰিক অসমীয়া খবৰ কাকতে **আৰক্ষীৰ নজৰত বিধায়ক অখিল গগৈ - শ্বেৰমান আলী-পাক ভক্ত-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-সাংবাদিক-ছাত্ৰ মুক্তিৰ নেতা সহ গ্ৰেপ্তাৰ ৮** শিৰোনামেৰে প্ৰকাশ কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাত্ৰিংশ দীক্ষান্ত সমাৰোহৰ বাতৰি আৰু মুখ্যমন্ত্ৰীৰ ২৫০ কোটি টকাৰ অনুদানৰ বাতৰিক **গুৱাহাটী বিশ্ববিদ্যালয়লৈ ২৫০ কোটি টকাৰ অনুদান ঘোষণা মুখ্যমন্ত্ৰীৰ** শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

পূৰ্বৰ ইছ'ৰোৰ অধ্যক্ষ কে কস্তুৰিৰংগনৰ মৃত্যুৰ বাতৰিক দ্যা আছাম ট্ৰিবিউন কাকতে Former ISRO Chairman K Kasturirangan passes away শিৰোনামাৰে প্ৰকাশ কৰিছে।

পহলগামৰ কাণ্ডৰ পাছত কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী আহতসকলৰ কাষত উপস্থিত হোৱাৰ বাতৰিক দৈনিক জনমভূমি কাকতে **পহলগাম কাণ্ডৰ আহতৰ কাষত ৰাহুল গান্ধী ঃ সমাজ বিভাজিত কৰিবলৈ বিচাৰিছে সন্ত্ৰাসবাদীয়ে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে **পহলগাম ভাৰতৰ আত্মাৰ ওপৰত আক্ৰমণ** শিৰোনামেৰে বিশেষ লেখা হিচাপে প্ৰকাশ কৰিছে।

কয়লা ছিণ্ডিকেটৰ ডেৰ কোটিতকৈও অধিক টকা জব্দ হোৱাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে **মেঘালয়ৰ পৰা অসমলৈ কোনো তালাচীৰ সন্মুখীন নোহোৱাকৈ অবৈধ কয়লা সৰবৰাহ ঃ কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰামৰ গৃহত ইডিৰ তালাচী** শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ ঠাই বিশেষে মজলীয়াৰ পৰা পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**